# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 11-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰে।

২। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত অসমত সৰ্বাধিক সংখ্যক মহিলা ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

৩। কংগ্ৰেছ দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই প্ৰতিটো পৰ্যায়ৰ নিৰ্বাচনৰ পাছৰ সৰ্বমুঠ ভোটদানৰ হাৰ প্ৰকাশৰ বাবে নিৰ্বাচন আয়োগে গ্ৰহণ কৰা পদ্ধতি সন্দৰ্ভত আপত্তি দৰ্শাইছে।

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দুখন খেল গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অহা ১৫ আৰু ১৯ মে'ত অনুষ্ঠিত হ'ব। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত কলকাতাত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰে। এই পৰ্যায়ত সোমবাৰে দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰচাৰ অভিযানৰ অন্তিম দিনটোত সকলো ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ বৰগঢ়ত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ কয় যে, কংগ্ৰেছে দেশৰ সংবিধান সলনি কৰিব বিচাৰে। কংগ্ৰেছে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীক প্ৰদান কৰা সংৰক্ষণ বন্ধ কৰি দলৰ ভোটবেংকৰূপে পৰিচিত লোকসমূহক প্ৰদান কৰিব বিচাৰে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে তেওঁ কংগ্ৰেছ দলক দেশৰ সংবিধান সলনি কৰাৰ অথবা অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীক প্ৰদান কৰা সংৰক্ষণৰ সুবিধা বন্ধ কৰিব নিদিয়ে আৰু এয়া মোদীৰ নিশ্চয়তা। কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীৰ নাম উল্লেখ নকৰাকৈ প্ৰধানমন্ত্ৰীয়ে কয় যে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে এবাৰ তদানিন্তন প্ৰধানমন্ত্ৰী মনমোহন সিং চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ প্ৰতিলিপি ফালি পেলাইছিল আৰু ইয়াৰ পৰা নেতাগৰাকীয়ে যে সংবিধানৰ প্ৰতি বিশ্বাস নকৰে সেয়া স্পষ্ট হৈ পৰে। ওড়িশাৰ

মুখ্যমন্ত্ৰী আৰু বিজেডিৰ মুৰব্বী নবীন পাটনায়কক সমালোচনা কৰি শ্ৰীমোদীয়ে কয় যে ওড়িশা চৰকাৰ বাহিৰৰ লোকৰ দ্বাৰা পৰিচালিত হৈ আহিছে। শ্ৰীপাটনায়কক বাহিৰৰ ৰাস্তা দেখুৱা সময় আহি পৰিছে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে। পাছত শ্ৰীমোদীয়ে ঝাৰখণ্ডৰ চতৰা লোকসভা সমষ্টিৰ চিমৰিয়াত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। তেওঁ কয় যে এই বাৰৰ নিৰ্বাচন শিশুৰ ভৱিষ্যত সুনিশ্চিত কৰা নিৰ্বাচন। কেন্দ্ৰীয় চৰকাৰৰ বি ভিন্ন আঁচনিৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে তেওঁৰ চৰকাৰে দুখীয়া লোকৰ দুৰ্দশাৰ কথা বিবেচনা কৰি আঁচনি প্ৰস্তুত কৰি আহিছে।

ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে বালাংগিৰত এখন নিৰ্বাচনী সভাত ভাগ লয়। শ্ৰীমোদীয়ে ভাষণ প্ৰসংগত প্ৰায় ২৫ বছৰীয়া শাসনকালত খনিজ সম্পদত চহকী ওড়িশাৰ উন্নয়নৰ বাবে একো নকৰাৰ বাবে আৰু ৰাজ্যখনৰ জনসাধাৰণৰ দৰিদ্ৰতা দূৰ নকৰাৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা বি জে ডিৰ মুৰব্বী নবীন পাটনায়কক তীব্ৰ সমালোচনা কৰে। ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বিহাৰৰ বেগুচৰাইত প্ৰচাৰ চলায়। প্ৰচাৰৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত ডং শৰ্মাই কয় যে, বিজেপিৰ শক্তিশালী নেতৃত্বৰ অধীনত অহা কেইবছৰমানৰ ভিতৰত পাক অধিকৃত কাশ্মীৰ পুনৰ ভাৰতৰ সৈতে চামিল কৰা হব। সন্ত্ৰাসবাদী সংগঠনৰ বিৰুদ্ধে চলোৱা চাৰ্জিকেল ষ্ট্ৰাইকক লৈ প্ৰশ্ন কৰাৰ বাবে কংগ্ৰেছ দলক সমালোচনা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, পাক অধিকৃত কাশ্মীৰত ভাৰতৰ প্ৰতি সমৰ্থন বৃদ্ধি পাইছে। তেঁও কয় যে অঞ্চলটোৰ জনসাধাৰণে সম্প্ৰতি ভাৰতৰ পতাকা উত্তোলন কৰিবলৈ লৈছে।

ইফালে, আৰ জে ডিৰ জ্যেষ্ঠ নেতা তেজশ্বী প্ৰসাদ যাদৱে দৰভাঙ্গাত আলিনগৰত দলৰ প্ৰাৰ্থী ললিত কুমাৰ যাদৱৰ হৈ প্ৰচাৰ চলাই বিজেপিয়ে ৰাজনৈতিক লাভালাভৰ বাবে সংৰক্ষণ ব্যৱস্থা প্ৰত্যাহাৰ কৰাৰ আৰু দেশৰ সংবিধান দুৰ্বল কৰাৰ চেষ্টা চলাইছে বুলি অভিযোগ তোলে। বিহাৰৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে আই এন ডি আই মিত্ৰজোট ক্ষমতালৈ আহিলে মিত্ৰজোটটোৱে প্ৰতি বছৰে ১ কোটি চৰকাৰী চাকৰি প্ৰদান কৰিব।

আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে আজি মোদী চৰকাৰে ৰাজনৈতিক প্ৰতিশোধৰ বাবে বিধি বলবৎকাৰী সঞ্চালকালয় আৰু চি বি আইৰ লেখিয়া কেন্দ্ৰীয় সংস্থাসমূহ ব্যৱহাৰ কৰি ৰাজনৈতিক প্ৰতিদ্বন্দিসমূহক লক্ষ্য কৰি লৈছে বুলি অভিযোগ উত্থাপন কৰে। পাটনাত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীখাৰ্গেই কয় যে লোকসভা নিৰ্বাচন প্ৰভাৱিত কৰাৰ উদ্দেশ্যে আই এন ডি আই মিত্ৰজোটৰ নেতাসকলক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে। কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰ কৰি এন ডি এ চৰকাৰে আই এন ডি আই মিত্ৰজোটৰ কেইবাগৰাকীও মুখ্যমন্ত্ৰীক কাৰাগাৰলৈ প্ৰেৰণ কৰিছে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ মুদ্ৰাস্ফীতি, দৰিদ্ৰতা আৰু কৰ্মসংস্থাপনহীনতাৰ দৰে বিষয়সমূহৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মৌনতাক লৈও প্ৰশ্ন উত্থাপন কৰে।

ইপিনে, কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী বাদ্ৰাই আজি উত্তৰ মহাৰাষ্ট্ৰৰ জনজাতীয় অধ্যুষিত নন্দুৰবাৰ জিলাত দলৰ হকে প্ৰচাৰ চলায়। তেওঁ কয় যে, কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰসমূহে জনজাতীয় সম্প্ৰদায়ৰ ৰক্ষাৰ বাবে অনুসূচীত জাতি-অনুসূচীত জনজাতি উপ পৰিকল্পনা, অনুসূচীত জাতি-জনজাতি আতিশহ্য প্ৰতিৰোধী আইন, পেছা আইন, পঞ্চায়তীৰাজ আইন, বন অধিকাৰ আইন আৰু এম জি এনৰেগা আইন প্ৰনয়ণ কৰিছে। তেওঁ লগতে মণিপুৰৰ হিংসাত্মক ঘটনাক লৈ এন ডি এ চৰকাৰক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে, নৰেন্দ্ৰ মোদী

চৰকাৰে হাথৰছৰ দৰে ঘটনাক লৈ আৰু পদক বিজয়ী মহিলা মল্লযোদ্ধাসকলৰ দাবীক লৈ মৌনতা অৱলম্বন কৰি আহিছে।

০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত সৰ্বমুঠ ৬৫ দশমিক ৬-৮ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। ইয়াৰে  ভিতৰত প্ৰায় ৬৬ দশমিক ৮-৯ শতাংশ মহিলা, ৬৪ দশমিক ৪-১ শতাংশ পুৰুষ আৰু ২৫ দশমিক ২ শতাংশ তৃতীয় লিংগৰ ভোটাৰ আছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি তৃতীয় পৰ্যায়ত অসমত সৰ্বাধিক ৮৫ দশমিক ৩-৪ শতাংশ মহিলা  ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই ক্ষেত্ৰত ৮৩ দশমিক ০-১ শতাংশ ভোটদানেৰে পশ্চিমবংগ দ্বিতীয় স্থানত থাকে। উত্তৰ প্ৰদেশত আটাইকতকৈ কম সংখ্যক মহিলা ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। ৰাজ্যখনত মহিলা ভোটদাতাৰ ভোটদানৰ হাৰ ৫৬ দশমিক ০-১ শতাংশ। তৃতীয় লিংগৰ ক্ষেত্ৰত গোৱাত সৰ্বাধিক ৭৫ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে।

০০০০

কংগ্ৰেছ দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই প্ৰতিটো পৰ্যায়ৰ নিৰ্বাচনৰ পাছৰ সৰ্বমুঠ ভোটদানৰ হাৰ প্ৰকাশৰ বাবে নিৰ্বাচন আয়োগে গ্ৰহণ কৰা পদ্ধতি সন্দৰ্ভত আপত্তি দৰ্শাইছে। নিৰ্বাচন আয়োগলৈ প্ৰেৰণ কৰা এখন পত্ৰত শ্ৰীখাৰ্গেই ভোটদানৰ হাৰ সন্দৰ্ভত প্ৰকৃত তথ্য নিৰপেক্ষভাৱে ৰাজহুৱা কৰিবলৈ আয়োগক আহ্বান জনায়। তেওঁ কয় যে, নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰতি গভীৰভাৱে আকৰ্ষিত বহু ভোটদাতাই ভোটদানৰ প্ৰকৃত হাৰ সন্দৰ্ভত জানিবলৈ আগ্ৰহী। শ্ৰীখাৰ্গেৰে লগতে শাসনাধিস্থিত দলৰ কেইবাগৰাকীও নেতাই নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকাৰ সময়তে কৰা সাম্প্ৰদায়িক আৰু জাতিকেন্দ্ৰিক মন্তব্যৰ বিৰুদ্ধে আয়োগে জৰুৰীভাৱে কাৰ্যপন্থা গ্ৰহণ নকৰিলে বুলি প্ৰশ্ন উত্থাপন কৰিছে।

০০০০

আম আদমী পাৰ্টিৰ জ্যেষ্ঠ নেতা অৰবিন্দ কেজৰিৱালে আজি  বিজেপিয়ে এখন ৰাষ্ট্ৰ এজন নেতাৰ ধাৰণাক প্ৰচাৰ কৰা বুলি অভিযোগ উত্থাপন কৰিছে। শ্ৰীকেজৰিৱালে কয় যে, বিজেপিয়ে নানা ভুৱা অভিযোগেৰে আম আদমী পাৰ্টিক চূৰ্ণ কৰিব বিচাৰিছে, কিন্তু এয়া সম্ভৱ নহয় কাৰণ আম আদমী পাৰ্টি কেৱল এটা ৰাজনৈতিক দল নহয় বৰং ই এটা আদৰ্শবাদ।

নতুন দিল্লীত এখন সংবাদমেলত কেজৰিৱালে কেন্দ্ৰত আই এন ডি আই মিত্ৰজোটে পৰৱৰ্তী চৰকাৰ গঠন কৰিব আৰু আপ চৰকাৰৰ অংশ হ'ব আস্থা ব্যক্ত কৰে। ইয়াৰ লগতে তেওঁ বিজেপিক কলংকিত আৰু দুৰ্নীতিগ্ৰস্ত নেতাক দলত অন্তৰ্ভুক্ত কৰে বুলি অভিযোগ উত্থাপন কৰি দলটোৱে বিৰোধী দলৰ নেতাক ভুৱা অভিযোগেৰে কাৰাগাৰলৈ পঠিয়াবলৈ চেষ্টা চলাইছে বুলিও উল্লেখ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দুখন খেল গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অহা ১৫ আৰু ১৯ মে'ত অনুষ্ঠিত হ'ব। ১৫ মে'ত সন্ধিয়া চাৰে ৭ বজাত ৰাজস্থান ৰয়েলছ পাঞ্জাব কিংছৰ আৰু ১৯ মে'ত দলটো কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগে খেলি থকা ৰাজস্থান ৰয়েলছ দলৰ অধ্যক্ষ ৰঞ্জিত বৰঠাকুৰৰ উপস্থিতত আজি বি চি চি আইৰ যুটীয়া সচিব দেৱজিত শইকীয়াই এখন সংবাদমেলত এই বিষয়ে

প্ৰকাশ কৰে। তেওঁ কয় যে, খেল দুখনৰ বাবে অহা ১৩ মে'ত ৰাজস্থান ৰয়েলছ্ দলটো গুৱাহাটীত উপস্থিত হ'ব। সংবাদমেলত ৰাজস্থান ৰয়েলছৰ অধ্যক্ষ শ্ৰীবৰঠাকুৰে অনাগত সময়ত গুৱাহাটীত আৰু অধিক খেল হ'ব বুলি আশা প্ৰকাশ কৰে। আনহাতে অনাগত সময়ত আই পি এলৰ দলসমূহত উত্তৰ-পূবৰ পৰা কমেও ২০ গৰাকী খেলুৱৈৰে অংশ লোৱাৰ বাবে পথ প্ৰসস্ত কৰাৰ তেওঁৰ পৰিকল্পনা আছে বুলিও শ্ৰীবৰঠাকুৰে জানিবলৈ দিয়ে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইফালে গুজৰাট টাইটানছে যোৱানিশা আহমেদাবাদত অনুষ্ঠিত  প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছক ৩৫ ৰানত পৰাস্ত কৰে। যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছে ২৩২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৬ ৰানহে সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ২৩১ ৰান কৰে।

০০০০

সমাপ্ত